## বাণিজ্য

# বৰ্ষা-সুকন্যা, জিলিক, জাহাংগীৰৰ প্ৰথম তিনিটা স্থান দখল

'আমাৰ অসম'ৰ মহানগৰ সংবাদ, ৬ জুন ঃ অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে ঘোষণা কৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাণিজ্য শাখাত প্ৰথম স্থান ৮ পৃষ্ঠাত



কলাৰ শীৰ্ষত। সংকল্পজিৎ, দিয়া, শ্ৰেয়া

'আমাৰ অসম'ৰ নগাঁৱৰ ষ্টাফ ৰিপ'ৰ্টাৰ, ৬ জুন ঃ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম স্থান দখলেৰে ৰাজ্যৰ ভিতৰত জিলিকি উঠিল নগাঁৱৰ ৰামানুজন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ সংকল্পজিৎ শইকীয়া। ছাত্ৰজনে ইংৰাজীত ৯২, অসমীয়াত ১০০, ৰাজনীতি বিজ্ঞানত ৯৯, শিক্ষাত ১০০, ভূগোলত ৯৯, অৰ্থনীতিত ৯ পৃষ্ঠাত



বাণিজ্যৰ শীৰ্ষত। বৰ্ষা, সুকন্যা, জিলিক, জাহাংগীৰ

# বৰ্ষা-সুকন্যা, জিলিক, জাহাংগীৰৰ প্ৰথম তিনিটা স্থান দখল

লাভ কৰি গুৱাহাটীৰ কে চি দাস কমাৰ্চ কলেজলৈ গৌৰৱ কঢ়িয়াই আনিলে গুৱাহাটীৰ এ টি ৰোড নিবাসী বৰ্ষা বোথ্ৰাই। মেধাৱী ছাত্ৰী বৰ্ষাই নিজৰ সফলতাৰ আঁৰৰ কথা এনেদৰে কয়— মই নিয়মিত ৭-৫ ঘণ্টা সময় পঢ়িছিলোঁ। পৰীক্ষাৰ দিন চমু চাপি অহাৰ সময়ত কেইবা ঘণ্টা পঢ়িবলৈ লৈছিলোঁ। মোৰ এই সফলতাৰ বাবে পিতৃ-মাতৃ, মোৰ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ যথেষ্ট ভূমিকা আছে। মই এতিয়া গুৱাহাটীত চাৰ্টাৰ্ড একাউটেন্ট পঢ়িম। মই হেপী চাইল্ড স্কুলৰ পৰা ২০২১ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৯০.৩৩ শতাংশ নম্বৰ লাভ কৰিছিলোঁ। পঢ়া-শুনা কৰাৰ লগতে গীত শুনি আৰু কিতাপ পঢ়ি মই যথেষ্ট ভাল পাওঁ। মই ভৱিষ্যতে এগৰাকী সফল চাৰ্টাৰ্ড একাউটেন্ট হ'ব বিচাৰোঁ। পঢ়া-শুনাৰ ক্ষেত্ৰত সফলতা লাভ কৰিবলৈ হ'লে নিয়মিতভাৱে পঢ়া-শুনা কৰক। পৰাপক্ষত সামাজিক মাধ্যমৰ পৰা অলপ আঁতৰি থাকক। শ্ৰেণীকোঠাত যিবোৰ কথা বুজাত অসুবিধা হয় সেইবোৰ বুজিবলৈ আমাক ঘৰুৱা শিক্ষকৰ প্ৰয়োজন হয়। গুৱাহাটীৰ এ টি ৰোড নিৱাসী ব্যৱসায়ী ৰতনলাল বোথ্ৰা আৰু সংগীতা বোথ্ৰাৰ কন্যাৰ এই সাফল্যই মহাবিদ্যালয়খনৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে।

### প্ৰথম স্থানত সুকন্যা কুমাৰ

**'আমাৰ অসম'ৰ সোণাপুৰৰ প্ৰতিবেদক ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত বাণিজ্য শাখাত ক্ষেত্ৰীস্থিত শিক্ষাদূত গোপীনাথ শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী সুকন্যা কুমাৰে ৰাজ্যখনৰ লাভ কৰি যি গৌৰৱ কঢ়িয়াই আনিলে তাৰ বাবে ছাত্ৰীগৰাকীৰ লগতে কলেজখনৰ অধ্যক্ষ শিক্ষক গোটক ধন্যবাদ জনাইছে।

### জিলিক শীল দ্বিতীয় স্থানত

**'আমাৰ অসম'ৰ মোৰাঝাৰৰ প্ৰতিবেদক ঃ** উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বাণিজ্য শাখাত ৰাজ্যৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰিছে হোজাইৰ জিলিক শীলে। ভৱিষ্যতে এগৰাকী চাৰ্টাৰ্ড একাউণ্টেণ্ট হোৱাৰ সপোন দেখা জিলিক শীলৰ মতে একাগ্ৰতা, অধ্যৱসায় হৈছে সফলতাৰ মূলমন্ত্ৰ। আজি ঘোষিত ফলাফল অনুসৰি হোজাইৰ শংকৰদেৱ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা বাণিজ্য শাখাত ৰাজ্যৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰি হোজাইবাসীক গৌৰৱান্বিত কৰিছে ছাত্ৰীগৰাকীয়ে। জিলিক শীলে ৫০০ নম্বৰৰ ভিতৰত ৪৭১ নম্বৰ লাভ কৰি এই সাফল্য লাভ কৰে। মেধাৱী ছাত্ৰীগৰাকীয়ে ইংৰাজীত ৯২, ঐচ্ছিক ইংৰাজীত ৯৭, একাউণ্টেন্সিত ৯৩, ব্যৱসায় অধ্যয়নত ৯১, ৰিটেইল ট্ৰেডত ৯৮ আৰু অৰ্থনীতিত ৮৬ নম্বৰ লাভ কৰি এই সফলতা কঢ়িয়াই আনে। দৰিদ্ৰ ঘৰৰ মেধাৱী ছাত্ৰীগৰাকীৰ পিতৃয়ে হোজাই চহৰত এখন সৰু পানদোকান দি পৰিয়াল পোহ-পাল দিয়াৰ বিপৰীতে মাতৃ এগৰাকী সাধাৰণ গৃহিণী। ছাত্ৰীগৰাকীয়ে অধ্যয়ন কৰা শংকৰদেৱ জুনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ শ্ৰীবাস ঘোষে জনোৱা মতে, মেধাৱী ছাত্ৰী জিলিক শীল পঢ়া-শুনাত অত্যন্ত মেধাৱী। দুখীয়া ঘৰৰ ছাত্ৰীগৰাকীৰ মেধাৰ উমান পাই বিদ্যালয়খনৰ